গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচলপ্ৰদেশ উচ্চন্যায়ালয়)

**<u>লেখ আপীল নং ৩৭৮/২০২২</u>**

মসুমা খাতুন, স্বামী–ছৈয়দ তাৰিফ আজিজ, সাং– গাঁও ও ডাক– বাজিয়াগাঁও, জিলা– নগাঁও, অসম।

........আপীলকাৰী

–বনাম–

১/ অসম ৰাজ্যৰ হৈ অসম চৰকাৰৰ আয়ুক্ত আৰু সচিব, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিছপুৰ, গুৱাহাটী–৬।

২/ প্ৰধান সচিব, অসম চৰকাৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, দিছপুৰ, পাঞ্জাবাৰী পথ, জুৰিপাৰ, গুৱাহাটী–৩৭।

৩) উপায়ুক্ত, নগাঁও, ডাক আৰু জিলা– নগাঁও, অসম, ডাক সূচ্যাংক–৭৮২০০১।

৪/ কাৰ্যবাহী বিষয়া, নগাঁও জিলা পৰিষদ, নগাওঁ, অসম, ডাক সূচ্যাংক– ৭৮২০০১।

৫) খণ্ড উন্নয়ন বিষয়া ও কাৰ্যবাহী বিষয়া, বাজিয়াগাঁও উন্নয়ন খণ্ড, ডাক– বাজিয়াগাঁও, জিলা– নগাঁও, অসম, ডাক সূচ্যাংক– ৭৮২০০১।

৬) সভাপতি, বাজিয়াগাঁও আঞ্চলিক পঞ্চায়ত, গাঁও আৰু ডাক- বাজিয়াগাঁও, জিলা-নগাঁও, অসম, পিন- ৭৮৩১৪০।

৭) সম্পাদক, বাজিয়াগাঁও গাওঁ পঞ্চায়ত, গাঁও আৰু ডাক- বাজিয়াগাঁও, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক- ৭৮৩১৪০।

৮) শ্ৰী উত্তম শইকীয়া, গোটৰ সদস্য, ১নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, পিতা-প্ৰয়াত তৰুণ শইকীয়া, সাং- গাঁও আৰু ডাক- বাজিয়াগাঁও, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক- ৭৮৩১৪০।

৯) আনুৱাৰা খাতুন, গোটৰ সদস্য, ২নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী- মোঃ কুদ্দুছ আলী, সাং- গাঁও আৰু ডাক- বাজিয়াগাঁও, জিলা-নগাঁও, অসম, ডাক সূচ্যাংক-৭৮৩১৪০।

১০) ছামছুন নেহাৰ, গোটৰ সদস্য, ৩নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী- আজিজুল হক, সাং- গাঁৱ আৰু ডাক-বাজিয়াগাঁও, জিলা-নগাঁও, অসম, ডাক সূচ্যাংক-৭৮৩১৪০।

১১) আলবান আলী, গোটৰ সদস্য, ৪নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, পিতা- মুছলিম উদ্দিন, সাং- গাঁৱ আৰু ডাক- বজিয়াগাঁও, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক- ৭৮৩১৪০।

১২) মোনুৱাৰা বেগম, গোটৰ সদস্য, ৫নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী-আব্দুল লতিফ, সাং- ডাক- বজিয়াগাঁও, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক–৭৮৩১৪০।

১৩) জেবিন বেগম, গোটৰ সদস্য, ৬নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী-আমৰুল হক, সাং- গাঁও- ভগামূৰ, ডাক- কৈমাৰী, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক–৭৮৩১৪০।

১৪) দিলৱাৰা বেগম, গোটৰ সদস্য, ৭নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী-বিলাল উদ্দিন, সাং- গাঁও- ভগামূৰ, ডাক- কৈমাৰী, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক–৭৮৩১৪০।

১৫) হাৰুণ ৰছিদ, গোটৰ সদস্য, ৮নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, পিতা-মিৰ্জালি, সাং- গাঁৱ- ভগামূৰ, ডাক- কৈমাৰী, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক-৭৮৩১৪০।

১৬) আছমিনা বেগম, গোটৰ সদস্য, ৯নং বাজিয়াগাঁও গাঁও পঞ্চায়ত, স্বামী- ছামছুল হক, সাং- গাঁৱ-ভগামূৰ, ডাক- কৈমাৰী, জিলা- নগাঁও, অসম, ডাক সূচ্যাংক–৭৮৩১৪০।

১৭) দিলৱাৰা বেগম, গোটৰ সদস্য, ১০নং বাজিয়াগাঁও, স্বামী-সুৰুজ আলী, সাং- গাঁৱ-

ভগামূৰ পশ্চিম, ডাক-কৈমাৰী, জিলা-নগাঁও, অসম, ডাক সূচ্যাংক-৭৮৩১৪০।

........উত্তৰদাতা

**সন্মানীয় মুখ্য ন্যায়াধীশ**

**মহামান্য ন্যায়াধীশ শ্ৰীযুতা মিতালী ঠাকুৰীয়াৰ**

**- সাক্ষাতে -**

আপীলকাৰীৰ পক্ষত: শ্ৰীএন.হক,অধিবক্তা।

উত্তৰদাতাৰ পক্ষত: শ্ৰীকে.কোঁৱৰ, স্থায়ী পৰামৰ্শদাতা, পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগ।

:শ্ৰীমতী এছ. কোঁৱৰ, কনিষ্ঠ চৰকাৰী অধিবক্তা, অসম।

:শ্ৰীএ.আই.উদ্দিন, উত্তৰদাতা নং.৮-১৭ৰ পক্ষত অধিবক্তা।

ৰায় আৰু আদেশৰ তাৰিখ:***২৮ এপ্ৰিল, ২০২৩***।

**ৰায় আৰু আদেশ**

[মুখ্য ন্যায়াধীশ সন্দীপ মেহতা]

২৫.১১.২০২২ তাৰিখে বিজ্ঞ একক ন্যায়াধীশৰ আদালতে আপীলকাৰী/ লেখ আবেদনকাৰীৰ অনুৰোধত কৰা ডব্লিউ পি (চি) নং.৬৮৫৩/২০২২-ক নিষ্পত্তি কৰি গৃহীত ৰায় আৰু চূড়ান্ত আদেশৰ বিৰুদ্ধে এই লেখ আপীল আবেদনৰ নিৰ্দেশ দিছে, য'ত গাঁও পঞ্চায়তৰ আপীলকাৰী/ লেখ আবেদনকাৰী নিৰ্বাচিত সভাপতি হোৱাৰ বিৰুদ্ধে উক্ত গাঁও পঞ্চায়তৰ ১০(দহ)জন সদস্যই অনা অনাস্থা প্ৰস্তাৱ বিবেচনা কৰাৰ বাবে পুনৰ বাজিয়াগাঁও গাঁও পঞ্চায়তৰ সভা আহ্বান কৰাৰ নিৰ্দেশ দিয়া হৈছে।

২. এইথিনিতে উল্লেখ কৰিব পাৰি যে, ১৩.০৫.২০২২ তাৰিখৰ ৰিকুইজিচন (প্ৰস্তাৱ)-ৰ সভা ২৮.০৭.২০২২-ত অনুষ্ঠিতহৈ অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰা

হৈছিল। গ্ৰহণ কৰা প্ৰস্তাৱ, এই ভিত্তিত আপীলকাৰী/লেখ আবেদনকাৰীয়ে প্ৰত্যাহ্বান জনাইছিল যে, ১৮(আঠাইশ)দিনৰ ভিতৰত সভা আহ্বান কৰাৰ প্ৰয়োজন থকা আপীলকাৰী/লেখ আবেদনকাৰী অৰ্থাৎ সভাপতিজনক ৰিকুইজিচন(প্ৰস্তাৱ) জাননী প্ৰদান কৰা হোৱা নাছিল, যাৰ দ্বাৰা ধাৰা ১৫, পঞ্চায়ত আইন, ১৯৯৪-ৰ (পৰৱৰ্তী সময়ত “আইন” বুলি কোৱা হ’ব)গুৰুতৰ উলংঘন হৈছিল। যিহেতু আইনখনৰ ১৫নং ধাৰাত দিয়া জাননীখন আপীলকাৰী/লেখ আবেদনকাৰীক কেতিয়াও প্ৰেৰণ কৰা নাছিল বাবে অনাস্থা প্ৰস্তাৱটোৰ বিৰুদ্ধে অভিযোগ অনা হৈছিল।

৩. বিদ্বান একক বিচাৰকে লেখ আবেদন পৰ্যালোচনা কৰাৰ সময়ত, অন্তৰৱৰ্তীকালীন আদেশ গৃহীত কৰিছিল, যাৰ দ্বাৰা অনাস্থা প্ৰস্তাৱৰ প্ৰভাৱ স্থগিত ৰখা হৈছিল। লেখ আবেদনৰ সিদ্ধান্ত লোৱাৰ সময়ত, বিদ্বান একক ন্যায়াধীশে বিবাদিত আদেশ গৃহীত কৰে, যাৰ দ্বাৰা আইনখনৰ ১৫নং ধাৰাৰ সৈতে সংগতি ৰাখি নতুনকৈ অনাস্থা প্ৰস্তাৱ লোৱা বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হয়। মনকৰিবলগীয়া যে, বিদ্বান ন্যায়াধীশৰ দ্বাৰা এই আবেদনত গৃহীত বিবাদিত আদেশত, স্পষ্টভাৱে ইংগিত দিয়া হোৱা নাই যে, ২৮.০৭.২০২২ তাৰিখৰ প্ৰাৰম্ভিক প্ৰস্তাৱ বাতিল কৰা হৈছিল। যেনে আছে তেনেদৰেই বাহাল ৰখা হওঁক। বিবাদিত আদেশৰ ফলাফলৰ বাবে এই পৰিস্থিতি অনুমান কৰিব পাৰি। আপীলকাৰী/লেখ আবেদনকাৰীয়ে একক ন্যায়াধীশৰ দ্বাৰা এই আবেদনত গৃহীত আদেশত প্ৰশ্ন উত্থাপন কৰিছে যে, আইনৰ ধাৰা ১৫-ৰ অধীনত নিৰ্ধাৰিত প্ৰক্ৰিয়া- ৬(ছয়)মাহৰ ম্যাদ উকলি যোৱাৰ আগতে অনাস্থা প্ৰস্তাৱৰ নতুন সভা অনুষ্ঠিত নহ'ব- এই নিয়ম অনুসৰণ নকৰাৰ বাবে প্ৰাৰম্ভিক পদক্ষেপ ব্যৰ্থ হোৱাত এখন নতুন সভা পাতিবলৈ নিৰ্দেশ দিয়া হয়।

৪.এন. হক ডাঙৰীয়া, বিদ্বান অধিবক্তাই আপীলকাৰী/লেখ আবেদনকাৰীক প্ৰতিনিধিত্ব কৰি আইনখনৰ ধাৰা ১৫(১)-ত সন্নিবিষ্ট বিধানসমূহৰ উল্লেখ কৰিছে আৰু আহ্বান জনাইছে যে, বিদ্বান একক ন্যায়াধীশে নতুন সভা পাতিবলৈ দিয়া নিৰ্দেশ আইনৰ দৃষ্টিত অবৈধ, কাৰণ ১৩.০৫.২০২২ তাৰিখৰ ৰিকুইজিচন বিদ্বান একক ন্যায়াধীশৰ দ্বাৰা হস্তক্ষেপ কৰা হৈছে আৰু এইদৰে, লেখ আবেদনৰ সিদ্ধান্তৰ তাৰিখত কোনো বৈধ ৰিকুইজিচন নাছিল, যাৰ ভিত্তিত নতুনকৈ সভা অনুষ্ঠিত কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তেওঁ এইদৰে, আদালতক আবেদন গ্ৰহণ কৰিবলৈ অনুৰোধ জনায় আৰু বিদ্বান একক ন্যায়াধীশে দিয়া দিশটো বাহাল ৰাখিব/ পট-পৰিৱৰ্তন কৰিবলৈ, আপীলকাৰী/লেখ আবেদনকাৰীৰ বিৰুদ্ধে আৰম্ভ কৰা অনাস্থাৰ কাৰ্য্যবিধি বিবেচনা কৰিবলৈ নতুনকৈ বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে।

৫. আনহাতে, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পক্ষত অধিবক্তা- শ্ৰী কে. কোঁৱৰে; অসমৰ বিদ্বান কনিষ্ঠ চৰকাৰী অধিবক্তা- শ্ৰীমতী এছ. কোঁৱৰ আৰু বিদ্বান অধিবক্তা- শ্ৰী এ.আই. উদ্দিনে উত্তৰদাতা নং.৮-১৭ৰ পক্ষত প্ৰতিনিধিত্ব কৰি আপীলকাৰীৰ বিদ্বান অধিবক্তাই আগবঢ়োৱা যুক্তিসমূহৰ বিৰোধিতা কৰিছে।

৬. **ফৰহানা বেগম লস্কৰ বনাম অসম ৰাজ্য আৰু অন্যান্য, ২০০৯ (৩) জিএলটি ৫৭৫**- গোচৰত সম্পূৰ্ণ বিচাৰপীঠৰ সিদ্ধান্তলৈ আদালতৰ দৃষ্টি আকৰ্ষণ কৰি উত্তৰদাতাৰ প্ৰতিনিধি- বিদ্বান পৰামৰ্শদাতাই কয় যে, উক্ত ৰায়দানত সম্পূৰ্ণ বিচাৰপীঠে বিতৰ্কটো সামৰি লৈছে, যিহেতু প্ৰক্ৰিয়াগত ত্ৰুটিৰ বাবে অনাস্থাৰ প্ৰাৰম্ভিক বৈঠক হস্তক্ষেপ কৰা হৈছিল, আৰু প্ৰস্তাৱটো হেৰাই যোৱা নাছিল বাবেই পৰৱৰ্তী ৬(ছয়)ৰ ভিতৰত এনে প্ৰস্তাৱ আৰম্ভ নকৰিবলৈ ধাৰা ১৫(১)-ৰ দ্বিতীয় প্ৰৱন্ধৰ দ্বাৰা প্ৰযোজ্য হৈছিল। কেৱল এটা কাৰিকৰী/পদ্ধতিগত কাৰণতহে ইয়াত হস্তক্ষেপ কৰা হৈছিল। উত্তৰদাতাৰ

বিদ্বান অধিবক্তাই এইদৰে আহ্বান জনায় যে, ধাৰা ১৫(১)ৰ লগতে ১৮নং ধাৰা অনুসৰি অনাস্থা প্ৰস্তাৱ কাৰ্যকৰী হয় বুলি দিয়া ৰায়ৰ ক্ষেত্ৰত বিদ্বান একক বিচাৰকজন নিখুঁতভাৱে ন্যায্য আছিল। এনেদৰে আদালতে আপীল খাৰিজ কৰিছিল আৰু একক বিচাৰকৰ দ্বাৰা গৃহীত আদেশক দৃঢ় কৰিছিল।

৭. বিদ্বান অধিবক্তাই পক্ষসমূহৰ হৈ আগবঢ়োৱা যুক্তিসমূহ, আমি বিবেচনা কৰিছো আৰু বিবাদিত আদেশ আৰু ৰেকৰ্ডত উপলব্ধ নথি চালিজাৰি চাইছো।

৮. এইক্ষেত্ৰত কোনো বিবাদ নাই যে, আপীলকাৰী/ লেখআবেদনকাৰী অৰ্থাৎ সভাপতিৰ বিৰুদ্ধে ৰিকুইজিচন জাননী প্ৰদান কৰা হোৱা নাছিল বুলিয়েই অনাস্থা প্ৰক্ৰিয়া আৰম্ভ কৰাত হস্তক্ষেপ কৰিছিল। ২৮.০৭.২০২২-তাৰিখে অনাস্থা প্ৰস্তাৱ গৃহীত হৈছিল, কিন্তু এই প্ৰস্তাৱ স্থগিত কৰা হৈছিল। বিদ্বান একক ন্যায়াধীশে কৈছিল যে, নতুন অনাস্থা প্ৰস্তাৱৰ বৈঠকখন ধাৰা ১৫ অনুসৰি অনুষ্ঠিত কৰিব লাগে। এইক্ষেত্ৰত আমাৰ দৃঢ় মত এইয়ে যে, **ফৰহানা বেগম লস্কৰ** (সুপ্ৰা)-ৰ গোচৰত সম্পূৰ্ণ পীঠৰ নিম্নলিখিত পৰ্যৱেক্ষণবোৰে বৰ্তমানৰ বিবাদিত বিষয়বস্তু সামৰি লয়। :-

আমাৰ দৃষ্টিত, প্ৰথম উদ্যোগত খাৰিজ হোৱাত, ছয় মাহৰ ভিতৰত এনে পদক্ষেপৰ আৰম্ভনিৰ অনুমতিত বাধা পোৱাৰ লগে লগে এই মতবাদৰ প্ৰতি ইংগিত কৰে। অৰ্থাৎ এই প্ৰভিচোৰ সৰ্ব্বোৎকৃষ্ট লক্ষণ এইয়ে যে, গাঁও পঞ্চায়তৰ সভাপতি অথবা উপ-সভাপতিক অস্থায়ী অৱকাশ মঞ্জুৰ কৰা, যদিহে সেইজন/সেইগৰাকীৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ যোগ্যতাৰ ভিত্তিত খাৰিজ কৰা হয়, যাৰদ্বাৰা খৰটকীয়াকৈ উত্তৰাধিকাৰীসূত্ৰে হোৱা অনুৰূপ প্ৰক্ৰিয়াৰ সন্মুখীন হোৱাৰ পৰা সেইজন/সেইগৰাকীক অৱকাশ দিয়ে। প্ৰকটহৈ থকা বিধানীয় উদ্দেশ্য অনুসৰি- আইনখনৰ ধাৰা ১৫(১)ৰ ২য় প্ৰভিচোৰ অধীনত গাঁও পঞ্চায়তৰ সভাপতি বা উপ-সভাপতিৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ খাৰিজ কৰা হয়, যদিহে এই প্ৰস্তাৱ বিবেচনাৰ ভিত্তিত যথাযথভাৱে

আহ্বান কৰা সভাত নাকচ কৰা হয় বা প্ৰক্ৰিয়াগত কাৰণৰ বাহিৰে আন কোনো কাৰণত প্ৰক্ৰিয়া নিস্ফল হয় বা সভা আহ্বান কৰাত ত্ৰুটি- অনিয়ম বা বিধিবদ্ধভাৱে নিৰ্দিষ্ট কৰা আঁচনিখনত কোনো কৰ্তৃপক্ষৰ অননুমোদিত হস্তক্ষেপ হয়। আনহাতে, ক্ৰমাগত পৰ্যায়ৰ বাবে নিৰ্ধাৰিত সময়সূচী বা অক্ষমতাৰ পৰিসৰ আৰু প্ৰকাৰৰ ভিত্তিত সংশ্লিষ্ট কৰ্তৃপক্ষৰ হস্তক্ষেপৰ ফলত এক চলি থকা প্ৰক্ৰিয়া বিকৃত কৰি তুলিব পাৰে, ফলত আইনখনৰ ধাৰা ১৫(১)ৰ ২য় প্ৰভিজো মতে প্ৰস্তাৱটো হেৰাই যাব- এনে ফলাফল নহ'বও পাৰে। এনে পৰিণতি ধাৰা ১৫(১)ৰ পৰা লক্ষণীয় বা সিদ্ধান্ত কৰিব পৰা নহয়। সেয়েহে, আমি এই অনুৰোধত সন্মতি প্ৰদান কৰিব নোৱাৰো যে, প্ৰতিটো অনাস্থা প্ৰস্তাৱৰ মোকৰ্দমা কৰাৰ বাবে প্ৰক্ৰিয়াগত অত্যাৱশ্যকীয় পদ্ধতি অগ্ৰাহ্য কৰাৰ দ্বাৰা নিষ্ঠুৰভাৱে ইংগিত কৰে যে, এই কাৰ্য (অনাস্থা প্ৰস্তাৱ প্ৰক্ৰিয়া) নিস্ফল হ'ব।"

৯. আদালতৰ সম্পূৰ্ণ বিচাৰপীঠৰ ৰায় অনুসৰি আমাৰ দৃঢ় মতামত এইয়ে যে, বিদ্বান একক ন্যায়াধীশে নতুনকৈ অনাস্থা প্ৰস্তাৱ প্ৰক্ৰিয়াকৰণৰ নিৰ্দেশ দিয়াটো একেবাৰে ন্যায্য আৰু এই ইন্ট্ৰা-কোৰ্ট(আদালতখনৰ পৃথক পীঠ)-ত লেখ আপীল আবেদনত হস্তক্ষেপৰ প্ৰয়োজন নাই। সেয়েহে আপীল নিস্ফল হয় আৰু যোগ্যতা নথকাৰ পৰিপ্ৰেক্ষিতত বঞ্চিত বুলি খাৰিজ কৰা হয়।

১০) খৰচ বিষয়ত কোনো নিৰ্দেশ নাই।

ন্যায়াধীশ মুখ্য ন্যায়াধীশ

তুলনা কৰা সহায়ক

----------------------------------------------------

অনুবাদক- ড. অৰ্চনা দেৱী, অনুবাদ শাখা, গৌহাটী উচ্চন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)

.....................